# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই আজি এডভাণ্টেজ আচাম দ্বিতীয় পৰ্যায়ত অংশগ্ৰহণৰ বাবে থাইলেণ্ডৰ দুগৰাকী মন্ত্ৰীক আমন্ত্ৰণ জনায়। এডভাণ্টেজ আচাম দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰৰ লগতে বিনিয়োগৰ ক্ষেত্ৰত থাইলেণ্ড চৰকাৰৰ সহযোগিতা বিচাৰি মন্ত্ৰীগৰাকী এটা প্ৰতিনিধি দলৰ নেতৃত্ব লৈ কালি বেংককত উপস্থিত হৈছে। উল্লেখযোগ্য যে, অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত এডভাণ্টেজ আচাম দ্বিতীয় পৰ্যায়ৰ বিনিয়োগ আৰু আন্তঃগাথনি শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব।

ooooo

সমাগত গণৰাজ্য দিৱস উদযাপন সন্দৰ্ভত আজি শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীৰ অধ্যক্ষতাত আয়োজিত এই সভাত গণৰাজ্য দিৱস উপলক্ষে শ্ৰীভূমি চহৰত স্বচ্ছতা অভিযান ৰূপায়ণৰ সিদ্ধান্ত লোৱা হয়। জিলা আয়ুক্তই এই সভাতে জনস্বাস্থ্য কাৰিকৰী বিভাগক খোৱাপানীৰ সুবিধা নিশ্চিত কৰাৰ লগতে স্বাস্থ্য বিভাগক চিকিৎসা দলৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। পেৰেড, মাৰ্চপাষ্ট, সাংস্কৃতিক অনুষ্ঠান আদিৰে গণৰাজ্য দিৱসৰ কাৰ্যসূচী সফলভাৱে পালন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

উত্তৰ পূৱ সীমান্ত ৰেলৱেই লেজাৰ আধাৰিত হুইল প্ৰফাইল ব্যৱস্থাপনা প্ৰণালী প্ৰৱৰ্তন কৰিছে। উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই আজি প্ৰেছ বিবৃতিযোগে এইকথা সদৰি কৰে। এই ব্যৱস্থা সময়মতে কাৰ্য সম্পাদন কৰাৰ লগতে ৰেল পৰিচালনাৰ সময়ো হ্ৰাস কৰাত সহায়ক হ'ব। ইয়াৰ লগতে এই ব্যৱস্থাই ৰেল যাত্ৰীসকলৰ বাবে এক সুগম আৰু সুৰক্ষিত যাত্ৰা নিশ্চিত কৰিব।

ooooo

স্বেচ্ছাসেৱী সংগঠন আৰণ্যকৰ উদ্যোগত বন বিভাগ আৰু মানাহ চুছি খংখৰ ইকো টুৰিজিম ছোচাইটিৰ যৌথ সহযোগত তামুলপুৰ জিলাত আজি এখন সভা অনুষ্ঠিত হয়। বন্যহস্তীৰ উপদ্ৰৱৰ প্ৰতি লক্ষ্য ৰাখি হাতীৰ গতিবিধি নিৰীক্ষণ আৰু সুৰক্ষাৰ বাবে ৩৬ খন গাঁওৰ এ ডি এছ কমিটিৰ সদস্যসকলৰ উপস্থিতিত এই সজাগতামূলক সভাখন আয়োজন কৰা হয়। সভাত আৰণ্যকৰ উপ মুখ্য বিষয়া হীতেন বৈশ্যই হাতীৰ গতিবিধি সন্দৰ্ভত বহলাই ব্যাখ্যা কৰে। মানাহ চুছি খংখৰ ইকো টুৰিজিম ছোছাইটিৰ অধ্যক্ষ বিজয় চৌধুৰীয়ে প্ৰকৃতি সংৰক্ষণত অধিক গুৰুত্ব দিবলৈ এ.ডি.এছ. সদস্যসকলক আহ্বান জনায়। বন্যহস্তীৰ খাদ্য আৰু জীৱন প্ৰণালী

সন্দৰ্ভত আলোচনা কৰা এই সভাখনত বগৰিখুঁটি বন বিভাগৰ বনকৰ্মীৰ লগতে আৰণ্যকৰ তামুলপুৰ আৰু বাক্সা জিলাৰ প্ৰকল্প সহায়ক অভিজিত গগৈও উপস্থিত থাকে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ উমৰাংছু অঞ্চলত শিশু শিক্ষা সমিতি অসমে নতুনকৈ ৪ খন বিদ্যা নিকেতন স্থাপন কৰিছে। এই উপলক্ষে কালি সন্ধিয়া অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱা উপস্থিত থাকে। শ্ৰীবুজৰবৰুৱাই তেওঁৰ ভাষণত সমাজৰ উন্নয়নত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ জনজাতীয় পৰম্পৰা আৰু কাৰ্বি গুৰুকুল পদ্ধতিৰ সংৰক্ষণৰ ক্ষেত্ৰত জোৰ দি কাৰ্বি সংস্কৃতিৰ সমৃদ্ধ ঐতিহ্য আৰু মূল্যবোধৰ পৰা শিকিবলগীয়া যথেষ্ট আছে বুলি প্ৰকাশ কৰে। তেওঁ জনজাতীয় কোনো ভাষাকে বিলুপ্ত হ'ব দিয়া নহ'ব বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০০

জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ স্বাৰ্থত শোণিতপুৰ জিলাৰ দণ্ডাধীশে জিলাখনৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ফায়াৰিং ৰেঞ্জৰ অঞ্চলটো সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰে। অসম জনশৃংখলা ৰক্ষা আইন ১৯৬০ ৰ ৮ নম্বৰ ধাৰাৰ অধীনত দণ্ডাধীশগৰাকীয়ে এই ঘোষণা কৰে। এই অনুসৰি এই অঞ্চলটোত উপযুক্ত অনুমতি থকা সশস্ত্ৰ সীমা বাহিনীৰ জোৱান, জিলা প্ৰশাসনিক কৰ্তৃপক্ষৰ বিষয়া আৰু আৰক্ষীৰ বাহিৰে সৰ্বসাধাৰণ ৰাইজৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০

যোৰহাট জিলা মুক্তিযুজাৰু সন্মিলনৰ উদ্যোগত সন্মিলনৰ সভাপতি তথা মুক্তিযোদ্ধা খৰ্গেশ্বৰ গগৈৰ ১০৬ বছৰীয়া জন্মদিন উপলক্ষে আজি তেওঁৰ বাসগৃহত এটা গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে তেওঁক শতায়ু সৌৰভ উপাধি প্ৰদান কৰা হয়। জিলাখনৰ বহুকেইটা সংগঠন আৰু প্ৰতিষ্ঠানে মুক্তিযোদ্ধাগৰাকীক শৰাই, চেলেং, গামোচা আৰু প্ৰশস্তিপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০

সমাপ্ত